জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮২৯/২০২০

# পৰিৱেশ আৰু বন বিভাগৰ কাম-কাজ তথা সফলতাৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

## শ্বহীদ উপবন স্থাপনৰ লগতে অসম আন্দোলনৰ শ্বহীদ সকলৰ স্মৃতিত বৃক্ষ ৰোপণৰ পদক্ষেপ ল'বলৈ বন বিভাগক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ১৩ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মুখ্যমন্ত্ৰীৰ চৰকাৰী আৱাস গৃহত অনুষ্ঠিত হোৱা এক বৈঠকত পৰিৱেশ আৰু বন বিভাগৰ কাম-কাজ তথা সফলতাৰ পৰ্যালোচনা কৰে। বৈঠকত মুখ্যমন্ত্ৰীয়ে পৰিৱেশ আৰু বন বিভাগৰ দ্বাৰা সম্পাদন কৰা ভাল কামসমূহ অব্যাহত ৰাখি ৰাজ্যখনৰ সেউজ আৱৰণ বৃদ্ধিৰ দিশত ফলপ্ৰসূভাৱে অৰিহণা আগবঢ়াবলৈ নিৰ্দেশ দিয়ে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰ তথা বন বিভাগৰ অবিৰত পদক্ষেপৰ বাবে ৰাজ্যখনৰ বনাঞ্চলৰ পৰিসৰ ২২ হেক্টৰতকৈও অধিক বৃদ্ধি পাইছে। মুখ্যমন্ত্ৰীয়ে বিভাগক বৃক্ষৰোপণৰ এই ধাৰা অব্যাহত ৰাখি ৰাজ্য চৰকাৰৰ দ্বাৰা ৰাজ্যখনক প্ৰদূষণমুক্ত ৰাজ্য হিচাপে গঢ়ি তোলাৰ লক্ষ্য বাস্তৱায়িত কৰাৰ বাবে নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে পৰিৱেশ আৰু বন বিভাগক শ্বহীদ উপবন এখন স্থাপনৰ লগতে অসম আন্দোলনৰ সকলো শ্বহীদৰ স্মৃতিত বৃক্ষৰোপণৰ পদক্ষেপ লব'লৈ নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকতে পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্যই গ্লৱেল টাইগাৰ ফ'ৰামৰ দ্বাৰা মানাহ টাইগাৰ ৰিজাৰ্ভক প্ৰদান কৰা কনজাৰভেশ্যন এক্সিলেন্স এৱাৰ্ডৰ প্ৰমাণপত্ৰ মুখ্যমন্ত্ৰীক আনুষ্ঠনিকভাৱে প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে ব্যাঘ্ৰ সংৰক্ষণৰ দিশত লাভ কৰা সফলতাৰ বাবে বিভাগক অভিনন্দন জনায়।

আজিৰ এই বৈঠকত মুখ্য সচিব জিষ্ণু বৰুৱা, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, পৰিৱেশ আৰু বন বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী, প্ৰধান বন সংৰক্ষক এ এম সিং, অতিৰিক্ত প্ৰধান মুখ্য বন সংৰক্ষক এম কে যাদৱ আৰু বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**
**১৩/১২/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in